আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JANUARY 2, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ৮ | Guwahati, Assam ।। মূল্যঃ এটকা

# কৃষকৰ পিছত এইবাৰ দেশজুৰি চালকৰ আন্দোলন

## অসমতো প্ৰতিবাদ, শ শ চালকে ঘূৰাই দিলে চাবি



**ই-সংবাদ, ২ জানুৱাৰীঃ** দেশৰ ৰাজপথসমূহত দুৰ্ঘটনাৰ পৰিমাণ হ্ৰাস কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ প্ৰৱৰ্তন কৰা আইনখনক লৈ উত্তাল হৈ পৰিছে সমগ্ৰ দেশ। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি এই আইনখনৰ বিৰুদ্ধে ৰাজপথত প্ৰতিবাদত নামে শ শ চালক। শেহতীয়াকৈ প্ৰৱৰ্তন কৰা এই আইনখনক চালকবিৰোধী ক'লা আইন আখ্যা দি চালকসকলে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ ■ শেষাংশ ২নং পৃষ্ঠাত

### অসহায় মণিপুৰৰ মুখ্যমন্ত্ৰী এন. বিৰেন সিং

## আকৌ জ্বলিল বাহন, চলিল গুলী




**ইম্ফল, ২ জানুৱাৰীঃ** ৮ মাহে হিংসাৰ জুইত জ্বলি থাকিল মণিপুৰ৷ কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ বিফলতাৰ বাবেই বিগত ৮ মাহে ক্ষান্ত নহ'ল মণিপুৰ৷ ৮ মাহ পাৰ হৈ যোৱাৰ পাছতো হিংসাৰ দাবানাল অব্যাহত আছে যদিও মণিপুৰৰ মুখ্যমন্ত্ৰীৰ অসহায় অৱস্থা পৰিস্ফুট হৈছে৷ যেতিয়াই কুটাঘাটমূলক কাণ্ড সংঘটিত হয় মণিপুৰৰ মুখ্যমন্ত্ৰী এন. বিৰেন সিঙে তেতিয়াই ম্যানমাৰৰ সন্ত্ৰাসবাদীক দোষাৰোপ কৰি আহিছে৷ ■ শেষাংশ ৩নং পৃষ্ঠাত

## নৱবৰ্ষৰ পাৰ্টীয়েই হ'ল কাল! আইআইটি গুৱাহাটীৰ ছাত্ৰীৰ মৃত্যু




**ই-সংবাদ, ২ জানুৱাৰীঃ** নৱবৰ্ষত বন্ধুৰ সৈতে বাৰত কৰা পাৰ্টীয়েই কাল হ'ল এগৰাকী ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ছাত্ৰীৰ৷ নিজ ৰাজ্য এৰি আহি গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত (আইআইটি) অধ্যয়নৰত ■ শেষাংশ ২নং পৃষ্ঠাত

## মোদীৰ লক্ষ্য ঝাৰখণ্ড, পতন হ'ব পাৰে চৰকাৰ!

### বিধায়কৰ পদত্যাগ, মুখ্যমন্ত্ৰীৰ পত্নী হ'ব নেকি মুখ্যমন্ত্ৰী?

**ৰাঁচী, ২ জানুৱাৰীঃ** দেশত পুনৰ 'অপাৰেচন লটাছ' আৰম্ভ হৈছে নেকি? দেশৰ আন এখন ৰাজ্যৰ চৰকাৰ পতন হোৱাৰ দিশে আগবঢ়া বুলি আশংকা কৰাৰ সময়তে 'অপাৰেশ্যন লটাছ'ক লৈ চৰ্চা আৰম্ভ হৈছে৷ মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, কৰ্ণাটক, ৰাজস্থান, অৰুণাচলৰ দৰেই আন এখন চৰকাৰ পতন হোৱাৰ জল্পনা-কল্পনা আৰম্ভ হৈছে৷ অবিজেপি চৰকাৰ থকা ঝৰখাণ্ডত বিজেপিয়ে চৰকাৰ গঠন কৰিব বুলি ব্যাপক চৰ্চা আৰম্ভ হৈছে৷ এইবাৰ বিজেপিৰ টাৰ্গেট ■ শেষাংশ ৪নং পৃষ্ঠাত

### প্ৰতিনিধিৰ আৱশ্যক

মুক্ত আৰু স্বতন্ত্ৰ অসমীয়া ভাষাৰ নিউজ ৱেবছাইট News Next One-ৰ লগতে News Next One-এ প্ৰকাশ কৰি অহা অনলাইন নৈশ দৈনিক 'E-সংবাদ'ৰ বাবে প্ৰতিখন উপজিলাৰ সদৰৰ পৰা এগৰাকীকৈ দায়িত্বশীল প্ৰতিনিধি (স্বেচ্ছসেৱামূলক) বিচৰা হৈছে। লাভবিহীন, মুক্ত আৰু স্বতন্ত্ৰ সাংবাদিকতাৰ প্ৰতি আগ্ৰহী অসমীয়া ভাষা শুদ্ধকৈ আৰু ভালকৈ লিখিব পৰা প্ৰাৰ্থীসকলে তলৰ ফোন নম্বৰ অথবা ই-মেইলযোগে যোগাযোগ কৰিব পাৰে।

যোগাযোগৰ নম্বৰ ঃ ৯৮৬৪১-৯২৪৯৭
ই-মেইল ঃ editor@newsnextone.com

প্ৰথম পৃষ্ঠাৰ পৰা...

# কৃষকৰ পিছত এইবাৰ দেশজুৰি চালকৰ

দেশৰ ৰাজপথসমূহত দুৰ্ঘটনাৰ পৰিমাণ হ্ৰাস কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ প্ৰৱৰ্তন কৰা আইনখনক লৈ উত্তাল হৈ পৰিছে সমগ্ৰ দেশ। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি এই আইনখনৰ বিৰুদ্ধে ৰাজপথত প্ৰতিবাদত নামে শ শ চালক। শেহতীয়াকৈ প্ৰৱৰ্তন কৰা এই আইনখনক চালকবিৰোধী ক'লা আইন আখ্যা দি চালকসকলে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ বিৰুদ্ধে ৰাজপথত সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। ৰাজ্যৰ অসম-বংগ সীমান্তৰ লগতে বৰাকৰ ত্ৰিপুৰা-অসম সংযোগী ভাংগা আৰু আন আন স্থানতো হাতে হাতে প্লে কাৰ্ড লৈ ট্ৰাক আৰু বাছৰ চালকসকলে প্ৰতিবাদত নামে। উল্লেখ্য যে এই আইনৰ জৰিয়তে হিট এণ্ড ৰাণ গোচৰত দোষী সাব্যস্ত চালকক নগদ সাত লাখ টকাৰ জৰিমনা আৰু ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহাৰ বিধান আছে। আইনখন অনুসৰি কোনো চালকে যদি দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰে, তেনে চালক পৰৱৰ্তী সময়ত আদালতত দোষী সাব্যস্ত হ'লে দহ বছৰ জেল আৰু সাত লাখ টকা পৰ্যন্ত জৰিমনা ভৰিবলগীয়া হ'ব। আনহাতে দুৰ্ঘটনা সংঘটিত কৰা বাহনৰ চালকে পলায়ন নকৰি দুৰ্ঘটনাত আহত ব্যক্তিক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰিলে, তেনে চালকৰ শাস্তি লাঘৱ হ'ব। কেন্দ্ৰীয় চৰকাৰে ৰাজপথত উদণ্ড চালকক নাকী লগাবলৈ এই আইন প্ৰৱৰ্তন কৰিলেও শেহতীয়াকৈ এই আইনখনে খাটি খোৱা একাংশ চালকক শংকিত কৰি তুলিছে। শংকিত হৈ পৰা এইসকল চালকৰ গণ আন্দোলনৰ ফলত এতিয়া সমগ্ৰ দেশত বিৰাজ কৰিছে অচলাৱস্থাই। চালকৰ গণ আন্দোলনৰ ফলত খাদ্য-সামগ্ৰীৰ তীব্ৰ নাটনিয়ে দেখা দিছে। মহাৰাষ্ট্ৰ, পঞ্জাৱ, ছত্তীছগড়, পশ্চিমবংগ, হাৰিয়ানা, মধ্যপ্ৰদেশ আদি ৰাজ্যৰ লগতে অসমতো গাড়ী চালকৰ এই গণ আন্দোলন আৰম্ভ হৈছে। ৫ আৰু ৬ জানুৱাৰীত সমগ্ৰ অসমৰ বাণিজ্যিক বাহনৰ চালকসকলে চকা বন্ধ ঘোষণা কৰিছে। অসম মটৰ শ্ৰমিক সংগঠনৰ যৌথ মঞ্চ মটৰ শ্ৰমিক যৌথ মঞ্চই আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি এই বন্ধ ঘোষণা কৰিছে। যৌথ মঞ্চ মটৰ শ্ৰমিক যৌথ মঞ্চই কয় 'কেন্দ্ৰীয় চৰকাৰৰ নতুন আইনে আমাৰ ভৱিষ্যত ধ্বংস কৰিব। এই আইন বাতিল নোহোৱা পৰ্যন্ত প্ৰতিবাদ কৰি যাম। বন্ধৰ প্ৰতি অসমৰ প্ৰতিটো মটৰ মালিকৰ সংগঠন আৰু চালকৰ সংগঠনৰ সহযোগিতা কামনা কৰিছো।' এই বন্ধক পূৰ্ণ সমৰ্থন জনাইছে ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটৰ্ছ ইউনিয়নে। ইউনিয়নৰ সভাপতি যাদৱ কুমাৰ ইংতি আৰু সাধাৰণ সম্পাদক ইছমাইল আলীয়ে কয় যে আমি পৰ্যটকক উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণত যি সেৱা আগবঢ়াই আছিলো সেই সেৱা আজিৰে পৰা বন্ধ কৰিছো। গুৱাহাটী বিমান বন্দৰৰ পৰা যিসমূহ গাড়ীয়ে পৰ্যটকক অনা-নিয়া কৰে সকলো গাড়ীৰ চালকে সেৱা বন্ধ ৰাখিব। কেৱল বাণিজ্যিক বাহনৰ চালক-মালিকে নহয় ব্যক্তিগত বাহনৰ চালক আৰু মালিককো এই বন্ধ সফল কৰিবলৈ আহ্বান জনাইছে ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটৰ্ছ ইউনিয়নৰ সাধাৰণ সম্পাদক ইছমাইল আলীয়ে। আনহাতে, আজি অসমৰ কেইবাঠাইত প্ৰতিবাদ আৰম্ভ কৰা দেখা গৈছে। আজি ধেমাজিৰ গোগামুখত মটৰ চালক সন্থাই তীব্ৰ প্ৰতিবাদ আৰম্ভ কৰি অনিৰ্দিষ্ট কাললৈ বে-চৰকাৰী বাহনৰ চলাচল বন্ধ ঘোষণা কৰিছে। ফলত যাত্ৰীৰ মাজত হাহাকাৰ লাগে। কেন্দ্ৰীয় চৰকাৰে মটৰ চালকৰ ওপৰত জাপি দিয়া কঠোৰ আইনৰ বিৰোধিতা কৰি গোগামুখত মটৰ চালক সন্থাই প্ৰতিবাদ কৰি যোৱাৰ হুংকাৰ প্ৰদান কৰি কয়, '১০ লাখ টকাৰ জৰিমনা, ১০ বছৰ কাৰাবাসৰ দৰে আইন কেতিয়াও মানি লোৱা নহ'ব। চৰকাৰে নতুন বছৰটোত দেশৰ লাখ লাখ চালকৰ ভৱিষ্যতলৈ অন্ধকাৰ নমাই আনিছে বুলি অভিযোগ তিলি গোগামুখত ডেৰ শতাধিক চালকে মালিকপক্ষক গাড়ীৰ চাবি গতাই দিয়ে আৰু পৰৱৰ্তীসময়ত লাইচেন্সসমূহো পৰিবহণ বিভাগক জমা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰে এই আইন বাতিল নকৰা পৰ্যন্ত ধেমাজি জিলাৰ প্ৰায় ১২০০ চালকে বাহন নচলোৱাৰ কথা ঘোষণা কৰে। উল্লেখ্য যে, 'হিট এণ্ড ৰান' গোচৰৰ নতুন আইনৰ বিৰুদ্ধে পৰিবহন সন্থা আৰু চালকসকলে কৰা প্ৰতিবাদ সন্দৰ্ভত অল ইণ্ডিয়া মটৰ এণ্ড গুডছ ট্ৰান্সপোৰ্ট এছ'চিয়েশ্যনৰ সভাপতি ৰাজেন্দ্ৰ কাপুৰে কয় যে চৰকাৰক আমি কৰা একমাত্ৰ দাবী আছিল যে আমাৰ সৈতে পৰামৰ্শ কৰাৰ পিছতহে এই সিদ্ধান্ত লোৱা উচিত আছিল। এই সন্দৰ্ভত কাৰো সৈতে কোনো আলোচনা হোৱা নাছিল। কাকো এই বিষয়ে সোধা হোৱা নাছিল। অল ইণ্ডিয়া মটৰ এণ্ড গুডছ ট্ৰান্সপোৰ্ট এছ'চিয়েচনৰ সদস্যসকলেও ক্ষোভ জাহিৰ কৰিছে। ইফালে ট্ৰাক চালকসকলে হৰতাল আৰম্ভ কৰাত দেশৰ ভিন্ন প্ৰান্তত পেট্ৰ'ল পাম্পত ব্যাপক ভিৰ দেখা গৈছে। গ্ৰাহকে তেলৰ বাবে শাৰী পাতিবলগীয়া হৈছে। চালকে টেংকাৰ বন্ধ ৰখাত সমগ্ৰ দেশত অনাগত সময়ছোৱাত ইন্ধনৰ যোগান ব্যাহত হৈ পৰাৰ আশংকা কৰা হৈছে।

# নৱবৰ্ষৰ পাৰ্টী

ছাত্ৰীগৰাকীয়ে নৱবৰ্ষৰ পাৰ্টীত অত্যাধিক নিচাযুক্ত দ্ৰব্য সেৱান কৰাৰ ফলতে মৃত্যু হোৱাৰ অভিযোগ উত্থাপন হৈছে। গুৱাহাটী আইআইটিৰ ছাত্ৰীগৰাকীয়ে জি.এছ ৰোডৰ বাৰত প্ৰথমে পাৰ্টী কৰাৰ লগতে পল্টনবজাৰৰ হোটেলৰ কোঠাত নিশা পাৰ কৰিছিল। হোটেলৰ কোঠাৰ বাথৰুমত ১ জানুৱাৰীৰ পুৱা অচেতন অৱস্থাত উদ্ধাৰ হোৱা ছাত্ৰীগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত ২ জানুৱাৰীত মৃত্যু হয়। অত্যাধিক মদ্যপান কৰাৰ ফলতেই ছাত্ৰীগৰাকীৰ মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। ছাত্ৰীগৰাকী তেলেংগানাৰ পুলোৰী ঐঁছে বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, ৩১ ডিচেম্বৰৰ নিশা জি.এছ ৰোডৰ এখন বাৰত প্ৰথমে পাৰ্টী কৰিছিল ছাত্ৰীগৰাকী আৰু ৩ বন্ধুৱে। ইয়াৰে দুগৰাকী যুৱতী আৰু দুই যুৱক বুলি জানিব পৰা গৈছে। তাৰ পাছতে অনলাইনযোগে পল্টন বজাৰৰ এখন হোটেলৰ কোঠা বুকিং কৰি নিশাই হোটেললৈ গৈছিল। হোটেললৈ অহাৰ পাছতেই ১ জানুৱাৰীৰ পুৱা বাথৰুমত অচেতন অৱস্থাত উদ্ধাৰ হোৱাত ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও মৃত্যুক আকোৱালি লয়। ছাত্ৰীগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। মৃত ছাত্ৰীগৰাকীৰ তেলেংগানাৰ দুই বন্ধুকো সোধ-পোছৰ বাবে জিম্মাত লৈছে। উল্লেখ্য যে, হোটেলত প্ৰৱেশ কৰাৰ সময়ত অত্যাধিক নিচাসক্ত অৱস্থাত আছিল চাৰি বন্ধু। যুৱতী আৰু আন তিনি বন্ধুৱে ড্ৰাগছ সেৱন কৰিব পাৰে বুলিও সন্দেহ কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ জ্বলিল বাহন, চলিল গুলী

মুখ্যমন্ত্ৰী হিচাপে ৰাজ্যত শান্তি-শৃংখলা বজাই ৰখাত বিফল মুখ্যমন্ত্ৰী এন. বিৰেন সিং৷ এইবাৰো যেন ব্যতিক্ৰম নহ'ল এন. বিৰেন সিং৷ নৱবৰ্ষৰ প্ৰথম দিনটোতে থৌবালত জিলাত অস্ত্ৰধাৰীয়ে নিৰীহ লোকক লক্ষ্য কৰি গুলীচালনা কৰাৰ পাছতে দাউদাউকৈ জ্বলি উঠে জিলাখনৰ এটা প্ৰান্ত৷ বেলি ডুবাৰ পাছতে থৌবাল জিলাৰ লিলঙৰ চিংজাওত সংঘটিত হৈছিল এই কাণ্ড৷ সশস্ত্ৰ দলটোৱ চাৰিখন বাহনত আৰক্ষীৰ পোছাক পিন্ধি আহি নিৰীহ লোকৰ ওপৰত নিৰ্বিচাৰ গুলীচালনা কৰিছিল। এই গুলীচালনাত থকা-সৰকা হৈ থিতাতে চাৰিগৰাকী নিৰীহ লোকে প্ৰাণ হেৰুৱাই৷ আন কেইবাগৰাকী লোক আহয় হয়৷ তাৰ পাছতে উত্তেজিত লোকে বাহনত অগ্নিসংযোগ কৰাত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। তাৰ পাছতে ৰাজ্য চৰকাৰে কাৰ্ফিউ জাৰি কৰিবলৈ বাধ্য হয়৷ এই ঘটনা সংঘটিত হোৱাৰ পাছতে প্ৰতি লক্ষ্য ৰাখি উপত্যকা জিলাত পুনৰ অনিৰ্দিষ্টকালৰ বাবে কাৰ্ফিউ জাৰি কৰা হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে থৌবালত অতিৰিক্ত বাহিনী মোতায়েন কৰে৷ ঘটনা সংঘটিত হোৱাৰ পাছতে মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙে এটা ভিডিঅ' জাৰি কৰি ৰাইজক শান্তি বজাই ৰখাৰ আহ্বান জনাই ঘটনাৰ সৈতে জড়িত দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে৷ ২ জানুৱাৰীত মুখ্যমন্ত্ৰীগৰাকীয়ে এই ঘটনাত ম্যানমাৰৰ সন্ত্ৰাসবাদী জড়িত থকাৰ সন্দেহ ব্যক্ত কৰিছে৷ কিন্তু হিংসা নিয়ন্ত্ৰণত বিফল মুখ্যমন্ত্ৰী এন. বিৰেন সিঙে ম্যনমাৰৰ সন্ত্ৰাসবাদী জড়িত থকাৰ সন্দেহ কৰি নিজ দলৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক বিফল বুলি প্ৰতিপন্ন কৰিছে৷ কিয়নো নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ কেন্দ্ৰীয় চৰকাৰক শক্তিশালী আৰু দেশৰ সীমা সুৰক্ষিত কৰি ৰখাত সফল বুলি দাবী কৰি আহিছে৷ কেৱল ইমানে নহয় নৰেন্দ্ৰ মোদীৰ দিনত দেশ বিৰোধী শক্তিয়ে ভয় খাই বুলি দাবী কৰি আহিছে বিজেপিৰ নেতাসকলে৷ তেনে সময়তে ম্যানমাৰৰ সন্ত্ৰাসবাদী মণিপুৰত কেনেকৈ প্ৰৱেশ কৰিলে তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে৷ এন. বিৰেন সিঙৰ এনে মন্তব্যৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিফলতা উদঙাই দিছে এন. বিৰনে সিঙে৷ নৰেন্দ্ৰ মোদী চৰকাৰে সীমা সুৰক্ষাত বিফল হোৱাৰ ফলতে সীমান্তৰ বাহিৰৰ সন্ত্ৰাসবাদীয়ে মণিপুৰত প্ৰৱেশ কৰিবলৈ সুবিধা পাইছে নেকি বুলি প্ৰশ্ন উত্থাপন হৈ আহিছে৷ আজি হিংসাৰ সময়ত আঘাতপ্ৰাপ্ত নিৰাপত্তাৰ অৱস্থাৰ বুজ ল'বলৈ আৰআইএমএছলৈ যায়। তেনে সময়তে সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰী বীৰেন সিঙে কয় যে ম্যানমাৰৰ ফালৰ বিদেশী অস্ত্ৰৰ প্ৰতি লক্ষ্য ৰাখি ম'ৰেৰ শেহতীয়া আক্ৰমণত কুকি নেচনেল আৰ্মী জড়িত হ'ব পাৰে। আমি সন্ত্ৰাসবাদী গোটবোৰৰ পৰা কিছু ভিডিঅ' ফাদিল হোৱা দেখিছো৷ আমি কেন্দ্ৰীয় আৰু ৰাজ্যিক বাহিনীৰ সৈতে কাম কৰি আছো। আমি তেওঁলোকক প্ৰতিহত কৰিছো আৰু অভিযান চলি আছে। ম্যানমাৰৰ ফালৰ বিদেশী অস্ত্ৰ এই কাণ্ডত ব্যৱহাৰ হোৱা বুলি আমাৰ সন্দেহ হৈছে। ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি আমাৰ প্ৰতিশ্ৰুতি এয়াই যে আমি এনে ধৰণৰ ভাবুকিত চাপৰ সন্মুখীন নহওঁ৷ ইপিনে ৩১ ডিচেম্বৰত কমাণ্ডোৰ বেৰেকত আক্ৰমণ কৰিছিল উগ্ৰপন্থীয়ে৷ ফলত ৫ জনকৈ কমাণ্ডো আহত হৈছিল৷ চৰকাৰী সংখ্যা অনুসৰি ২০২৩ চনৰ ১৫ ছেপ্টেম্বৰলৈ হিংসাত ১৭৫ জন লোকৰ মৃত্যু হৈছে। পৰিস্থিতি ইমানেই ভয়াৱহ আছিল যে ইণ্টাৰনেট সেৱা বন্ধ কৰাৰ লগতে ৰাজ্যজুৰি কাৰ্ফিউ জাৰি কৰিবলগীয়া হয়৷ ২০২৩ চনৰ ৩ মে'ত মণিপুৰত মেইটেই আৰু কুকি-জো জনজাতিৰ মাজত জাতিগত হিংসাৰ সূত্ৰপাত হয়। চৰকাৰী তথ্য অনুসৰি ১৫ ছেপ্টেম্বৰলৈকে, হিংসাত ১৭৫ জন লোক নিহত হয়। ১,১০৮ জন লোক আহত হোৱাৰ লগতে বৰ্তমানেও ৩২ জন সন্ধানহীন হৈ আছে। ৪,৭৮৬ টা ঘৰ জ্বলাই দিয়াৰ লগতে মন্দিৰ-গীৰ্জাকে ধৰি ৩৮৬টা ধৰ্মীয় অনুষ্ঠানত আক্ৰমণ কৰা হয়৷ এই হিংসাত্মক ঘটনাৰ ফলত ৭০ হাজাৰতকৈও অধিক লোক গৃহহাৰা হৈ শিবিৰত থাকিবলৈ বাধ্য হৈছে৷



অশান্ত মণিপুৰত দুষ্কৃতিকাৰীয়ে এনেকৈ জ্বলাই দিছে বাহন, মঙলবাৰে

প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰ ঝাৰখণ্ডত পতন হ'ব পাৰে চৰকাৰ

ঝাৰখণ্ড নেকি বুলিও খবৰ প্ৰকাশ হ'ব ধৰিছে৷ কিয়নো ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীক ইডিয়ে দিয়া চমনৰ পাছতে ৰাজনৈতিক অস্থিৰতাই দেখা দিয়াত বিজেপিয়ে চৰকাৰ গঠনৰ বাবে প্ৰয়াস কৰিব পাৰি বুলি অভিযোগ উঠিছে৷ ৮১ খন আসনৰ ঝাৰখাণ্ড বিধানসভাত ৪৭ খন আসন আছে কংগ্ৰেছ আৰু ঝাৰখাণ্ড মুক্তি মৰ্চাৰ হাতত৷ বিজেপিৰ হাতত আছে ২৬ খন আসন৷ আশংকা কৰা মতে, কংগ্ৰেছ আৰু ঝাৰখাণ্ড মুক্তি মৰ্চাৰ পৰা বিজেপিয়ে ১৭ জন বিধায়ক লৈ আহিব পাৰে৷ এই চৰ্চাৰ মাজতে ইপিনে শাসকীয় ঝৰখাণ্ড মুক্তি মৰ্চাৰ বিধায়ক ডও চৰফৰাজ আহমেদে বিধায়ক পদৰ পৰা আকস্মিক পদত্যাগ কৰিছে৷ ২০১৯ চনৰ বিধানসভা নিৰ্বাচনত গিৰিডিহ জিলাৰ গাণ্ডেয়া আসনৰ পৰা বিধায়ক নিৰ্বাচিত হৈছিল ডও চৰফৰাজ আহমেদ। ডও চৰফৰাজ আহমেদৰ পদত্যাগ পাছতে ঝাৰখণ্ডৰ ৰাজধানী ৰাঁচীত ৰাজনৈতিক পৰিৱেশ গৰম হৈছে৷ ২০২৩ চনৰ শেষ সময়ত অধ্যক্ষৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিছিল। ৩১ ডিচেম্বৰত বিধানসভাৰ অধ্যক্ষ ৰবীন্দ্ৰ নাথ মহাটোৱে পদত্যাগ পত্ৰ গ্ৰহণ কৰিছিল যদিও সংবাদ মাধ্যমৰ পৰা এই খবৰ গোপনে ৰখা হৈছিল। ২০২৪ চনৰ প্ৰথম দিনটোত বিধানসভা সচিবালয়ে ডও চৰফৰাজ আহমেদৰ পদত্যাগ গ্ৰহণ কৰি এক জাননী জাৰি কৰাতহে খবৰ ৰাজহুৱা হয়৷ পদত্যাগৰ পাছতে ডও চৰফৰাজ আহমেদে কয় যে মই ব্যক্তিগত কাৰণক পদত্যাগ কৰিছো। মই নিজেই এই সিদ্ধান্ত লৈছো। মোক পদত্যাগ কৰিবলৈ কোনেও কোৱা নাছিল। মই অনুভৱ কৰিছিলো যে মোৰ দল জেএমএম আৰু মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে সংকটৰ সন্মুখীন হ'ব পাৰে৷ সেয়েহে মই পদত্যাগ কৰাটো অধিক উপযুক্ত বুলি ভাবিছিলো। মই দলটোৰ এজন সৈনিক আৰু মোৰ সিদ্ধান্ত স্পষ্টকৈ দলৰ স্বাৰ্থত। মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেনৰ বাবে আসনখন খালী কৰিছে নেকি বুলি সোধাত ডও চৰফৰাজ আহমেদে কয় যে মই দলৰ স্বাৰ্থত পদত্যাগ কৰিছো। এই মুহূৰ্তত, মই ইয়াৰ বাহিৰে আন একো ক'ব নোৱাৰো। উল্লেখ্য যে, ২৯ ডিচেম্বৰত ইডিয়ে মুখ্যমন্ত্ৰী হেমন্ত চোৰেনক এখন পত্ৰ প্ৰদান কৰাৰ পাছতে চৰকাৰ পতনৰ খবৰক লৈ সংবাদমাধ্যম আৰু বিৰোধী বিজেপি দলে প্ৰতিক্ৰিয়া ব্যক্ত কৰি গৈছে৷ ইডিয়ে ভূমিৰ মিছা নথিপত্ৰ সম্পৰ্কীয় এটা গোচৰৰ তদন্তৰ বাবে মুখ্যমন্ত্ৰীক জেৰা কৰিবলৈ পত্ৰ প্ৰদান কৰিছে। হেমন্ত চোৰেনে দুদিনৰ ভিতৰত উপযুক্ত স্থান আৰু তাৰিখত উত্তৰ দিব লাগিছিল যদিও মুখ্যমন্ত্ৰীয়ে এই সময়সীমাত ইডিৰ পত্ৰৰ কোনো উত্তৰ দিয়া নাছিল। সম্ভাৱনা প্ৰকট হৈ পৰিছে যে ইডিয়ে চোৰেনক সোধা-পোছা কৰিব কিয়নো ইডিয়ে সেই পত্ৰখনক চমন হিচাপে লৈছে৷ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনক পূৰ্বে ছয়বাৰকৈ জেৰাৰ বাবে মাতি পঠাইছিল৷ ইডিৰ ওচৰত হাজিৰ নোহোৱাৰ লগতে ইডিয়ে পক্ষপাতিত্বৰ সৈতে কাম কৰাৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰৱৰ্তন সঞ্চালকালয়ে প্ৰেৰণ কৰা সপ্তম চমনৰ পাছতে মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে বিকল্পৰ সন্ধান আৰম্ভ কৰিছে। দলৰ শীৰ্ষ নেতৃত্বৰ সৈতে আলোচনা মিলিত হৈ প্ৰয়োজনত মুখ্যমন্ত্ৰীৰ চকী এৰি পত্নী কল্পনা চোৰেনক মুখ্যমন্ত্ৰীৰ আসনত বহুৱাব পাৰে বুলি জল্পনা-কল্পনা আৰম্ভ হৈছে৷ ঝাৰখণ্ড মুক্তি মৰ্চাই এই বিষয়টোত আনুষ্ঠানিকভাৱে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। দলৰ আন এজন বিধায়কে কৈছিল যে মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ঝাৰখণ্ডৰ উন্নয়নৰ বাবে কাম কৰি আছে৷ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত ইডিয়ে তেওঁক অপ্ৰয়োজনীয়ভাৱে হাৰাশাস্তি কৰি আছে। ৰাজ্যৰ মানুহে এয়া দেখিছে। ইয়াৰ উত্তৰো দিব। উক্ত বিধায়কজনেই আৰু কয় যে হেমন্ত চোৰেনে সমাজৰ অন্তিম স্তৰত থিয় হৈ থকা মানুহজনৰ বাবে কাম কৰিছে। তেওঁলোকৰ অধিকাৰ নিশ্চিত কৰিবলৈ কাম কৰি আছে। জেএমএম দল তেওঁৰ নেতৃত্বত শক্তিশালী হৈছে। সেয়েহে, দলটোৱে তেওঁৰ প্ৰতিটো সিদ্ধান্তৰ সৈতে থিয় দিব। ইয়াত কোনো যদি-বাট নাই। আমাৰ মিত্ৰজোঁটৰ বিধানসভাত সংখ্যাগৰিষ্ঠতা আছে আৰু আমি আমাৰ নিজৰ সিদ্ধান্ত ল'বলৈ স্বাধীন। ঝাৰখণ্ডৰ মুখ্য বিৰোধী ভাৰতীয় জনতা পাৰ্টীয়ে (বিজেপি) এই কাণ্ডক তীব্ৰ সমালোচনা কৰিছে। বিজেপিৰ বহু নেতাই সামাজিক মাধ্যমত কয় যে ডও চৰফৰাজ আহমেদে কল্পনা চোৰেনে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ পদত্যাগ পত্ৰ কৰিছে। বিজেপিৰ ঝাৰখণ্ডৰ মুখপাত্ৰ প্ৰতুল শ্বাহদেওৱে কয় যে মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ইডিৰ চমনক ভয় কৰিছে। চৰফৰাজ আহমেদৰ পদত্যাগে প্ৰমাণ কৰে যে জেএমএমৰ দৰে বংশীয় দলে পৰিয়ালৰ বাহিৰে আন একো ভাবিব নোৱাৰে। এইকাৰণেই মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ইডিৰ পদক্ষেপ আৰু সম্ভাব্য গ্ৰেপ্তাৰক ভয় কৰি পত্নী কল্পনা চোৰেনৰ নাম বিকল্প হিচাপে আগবঢ়াইছে। তেওঁলোকে এজন জ্যেষ্ঠ জেএমএম নেতাক উত্তৰাধিকাৰী কৰিব পাৰিলেহেঁতেন৷ কিন্তু তেওঁলোকে এনে নকৰিলে৷ আনহাতে সহযোগী কংগ্ৰেছ দলে ঝাৰখণ্ডৰ অস্থিৰ পৰিস্থিতিক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে৷ ঝাৰখণ্ড কংগ্ৰেছৰ সভাপতি ৰাজেশ ঠাকুৰে সংবাদ মাধ্যমক কয় যে আমাৰ দল ইণ্ডিয়া মিত্ৰজোঁটৰ সকলো দলৰ সৈতে আছে আৰু তেনেকৈয়ে থাকিব। আমি জেএমএমৰ সহযোগী আৰু তেনেকৈয়ে থাকিম। চৰফৰাজ চাহাব এজন অভিজ্ঞ নেতা। তেওঁ জেএমএমৰ পৰা পদত্যাগ কৰা নাই। কেৱল বিধায়ক পদহে এৰিছে৷ তেওঁ নিশ্চয় জেএমএম আৰু ৰাজ্যৰ স্বাৰ্থত এই সিদ্ধান্ত লৈছে। আমি সকলোৱে জানো যে ইডিৰ দৰে সংস্থাই কুসংস্কাৰৰ সৈতে কাম কৰি আছে আৰু মুখ্যমন্ত্ৰী হেমন্ত চোৰেনক হাৰাশাস্তি কৰা হৈছে। বিজেপিয়ে সংখ্যাগৰিষ্ঠ চৰকাৰ ভাঙিবলৈ চেষ্টা কৰি আছে৷ কিন্তু আমি সেইটো হ'বলৈ নিদিওঁ৷ ১ জানুৱাৰীত, মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ৰাজ্যখনৰ খাৰচাৱানত এক কাৰ্যসূচীত অংশ গ্ৰহণ কৰি ৰাজহুৱা সভাত কয় 'সমাজত কিছুমান উপাদান আছে, যিয়ে জনজাতীয় সমাজক ভাঙিবলৈ চেষ্টা কৰি আছে। কেতিয়াবা পানী, বন আৰু ভূমিৰ পৰা জনজাতীয় লোকসকলক উৎখাত কৰাৰ চেষ্টা কৰা হয়৷ জনজাতীয় লোকসকলৰ পৰম্পৰা, সভ্যতা আৰু সংস্কৃতিকো আক্ৰমণ কৰা হয়। কিন্তু, আপোনালোকে এইখন চৰকাৰ গঠন কৰিছে। এনে পৰিস্থিতিত, আমি জনজাতীয় লোকসকলৰ সন্মান আৰু আত্মসন্মানৰ সৈতে কোনো ধৰণৰ খেলিমেলি কৰিবলৈ নিদিওঁ। যিজনে জনজাতীয় সমাজ ভাঙিবলৈ চেষ্টা কৰে তেওঁক উপযুক্ত প্ৰত্যুত্তৰ দিয়া হ'ব।

# প্ৰিয়ংকা গান্ধীৰ প্ৰশ্ন, ‘মোদী মণিপুৰলৈ নাযায় কিয়?’

**নতুন দিল্লী, ২ জানুৱাৰীঃ** কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে ১৪ জানুৱাৰীত মণিপুৰৰ পৰা ‘ন্যায় যাত্ৰা’ কৰিবলৈ সাজু হোৱাৰ সময়তে মণিপুৰত পুনৰ সংঘটিত হৈছে হিংসাত্মক ঘটনা। ১ জানুৱাৰীত থৌবাল জিলাৰ লিলঙৰ চিংজাওত সংঘটিত হৈছে এই হিংসাত্মক কাণ্ড। চাৰিখন বাহনত অহা অস্ত্ৰধাৰী দলে আৰক্ষীৰ পোছাক পিন্ধি আহি নিৰীহ লোকৰ ওপৰত নিৰ্বিচাৰ গুলীচালনা কৰিছিল। এই গুলীচালনাত থকা-সৰকা হৈ থিতাতে চাৰিগৰাকী নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে। আন কেইবাগৰাকী লোক আহত হয়। দুৰ্বৃত্তই ব্যৱহাৰ কৰা গাড়ীত উত্তেজিত জনতাই অগ্নিসংযোগ কৰিছিল। সমগ্ৰ ঘটনাক লৈ মণিপুৰত তীব্ৰ উত্তেজনাই বিৰাজ কৰাত উপত্যকা জিলাত কাৰ্ফিউ জাৰি কৰাৰ লগতে অতিৰিক্ত নিৰাপত্তাৰক্ষী মোতায়েন কৰিবলগীয়া হয়। পুনৰ হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পাছতে বিজেপি দল আৰু চৰকাৰক আক্ৰমণ আৰম্ভ কৰিছে কংগ্ৰেছ নেতা প্ৰিয়ংকা গান্ধীয়ে। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে মণিপুৰৰ থৌবাল জিলাত সংঘটিত শেহতীয়া হিংসাত্মক ঘটনাক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশ্ন উত্থাপন কৰিছে। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত প্ৰিয়ংকা গান্ধীয়ে প্ৰধানমন্ত্ৰী মোদীক এবাৰো হিংসাগ্ৰস্ত ৰাজ্যখন ভ্ৰমণ নকৰাত প্ৰশ্ন উত্থাপন কৰে। মণিপুৰৰ সকলো পক্ষৰ সৈতে আলোচনাত মিলিত হৈ স্থিৰতা আৰু শান্তি অনাৰ বাবে চৰকাৰক দৃঢ় পদক্ষেপ ল’বলৈ আহ্বান জনাই প্ৰিয়ংকা গান্ধীয়ে কয় ‘‘মণিপুৰত চাৰিজন লোক পুনৰ নিহত হৈছে। বহুলোক আহত হৈছে, বহু জিলাত কাৰ্ফি দিয়া আছে। মণিপুৰৰ লোকসকলে আঠ মাহ ধৰি হত্যা, হিংসা আৰু ধ্বংসৰ সন্মুখীন হৈ আহিছে। এই প্ৰৱণতা কেতিয়া বন্ধ হ’ব বুলি প্ৰশ্ন কৰে গান্ধীয়ে? আনহাতে মণিপুৰৰ কোনো প্ৰতিনিধিৰ সৈতে প্ৰধানমন্ত্ৰী মোদীয়ে বৈঠক অনুষ্ঠিত নকৰাত ক্ষোভ ব্যক্ত কৰি প্ৰিয়ংকা গান্ধীয়ে আৰু কয় যে মণিপুৰৰ সকলো দলৰ নেতাৰ এটা যুটীয়া প্ৰতিনিধি দল দিল্লীলৈ আহি প্ৰধানমন্ত্ৰীক লগ কৰিবলৈ সময় বিচাৰিছিল। কিন্তু আজিলৈকে সময় দিয়া হোৱা নাই। মোদীয়ে মণিপুৰলৈ যোৱা নাই, মণিপুৰৰ বিষয়ে আলোচনা নকৰে সংসদতো উত্তৰ নিদিয়ে। মোদীয়ে মণিপুৰৰ হিংসা ৰোধ কৰিবলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। মণিপুৰক এই নেতৃত্ব প্ৰয়োজন নে? যাক বিজ্ঞাপনৰ শক্তিয়ে মহান কৰি তুলিবলৈ যথেষ্ট! চৰকাৰে এতিয়াও কোনো পলম নকৰাকৈ মণিপুৰৰ সকলো পক্ষৰ সৈতে আলোচনাত বহি স্থিৰতা আৰু শান্তি অনাৰ বাবে দৃঢ় পদক্ষেপ লোৱা উচিত। মণিপুৰবাসীক বিশ্বাসত লোৱা উচিত বুলিও কয় প্ৰিয়ংকা গান্ধীয়ে। উল্লেখ্য যে, ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ১৪ জানুৱাৰীৰ পৰা ২০ মাৰ্চলৈ ‘ভাৰত ন্যায় যাত্ৰা’ কৰিবলৈ সাজু হৈছে। এই যাত্ৰাই ১৪ খন ৰাজ্য আৰু ৮৫ খন জিলাত ৬,২০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিব। এইবাৰ এই যাত্ৰাৰ শুভাৰম্ভ কৰিব হিংসা জৰ্জৰ মণিপুৰৰ পৰা।

# বিএমআই! অসম আৰক্ষীৰ ১,৮৮৪ বিষয়া-কনিষ্টবলৰ অগ্নিপৰীক্ষা

**ষ্টাফ ৰিপৰ্টাৰ, ২ জানুৱাৰীঃ** ভুৱা এনকাউণ্টাৰ আৰু শাসকীয় দলৰ নেতাৰ অপৰাধজনিত ঘটনাক আওকাণৰ অভিযোগৰ মাজতে অসম আৰক্ষীক সংস্কাৰৰ বাবে নতুন নতুন কৌশল অৱলম্বন কৰিছে গৃহ বিভাগে। গৃহমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে অসম আৰক্ষীক শাৰীৰিকভাৱে সবল কৰি আৰক্ষী বিভাগটোক জনতাৰ সুৰক্ষাৰ হেতুকে সক্ৰিয় কৰিব বিচাৰিছে। তেনেই এক ব্যৱস্থা বাহাল কৰি বডী মাচ ইণ্ডেক্স পৰীক্ষাৰ ব্যৱস্থা কৰিছে। যিসকল আৰক্ষীয়ে নিজৰ শৰীৰক ফিট কৰি ৰাখিবলৈ গুৰুত্ব প্ৰদান নকৰে সেইসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি বডী মাচ ইণ্ডেক্স পৰীক্ষাত অনুষ্ঠিত কৰিছিল। এনে পৰক্ষীত অনুত্তীৰ্ণ হৈছিল অসমৰ আৰক্ষীৰ ১,৮৮৪ বিষয়া আৰু কনিষ্টবল। ১,৮৮৪ বিষয়া আৰু কনিষ্টবলক অসম আৰক্ষীৰ শীৰ্ষ মহলে নিজকে শাৰীৰিকভাৱে ফিট কৰিবলৈ তিনিমাহৰ সময় বান্ধি দিছিল। তিনি মাহৰ অন্তত শৰীৰৰ যতন নোলোৱা নোদোকা ১,৮৮৪ আৰক্ষীয়ে পুনৰ বডী মাচ ইণ্ডেক্সত অংশ লৈছে। আজি পুনৰ শাৰী পাতি বডী মাচ ইণ্ডেক্স পৰীক্ষাত অৱতীৰ্ণ হৈছে ১,৮৮৪ বিষয়া আৰু কনিষ্টবল। গুৱাহাটী, শিলচৰ আৰু যোৰহাট জিলাত অনুষ্ঠিত হয় এই পৰীক্ষা। এই পৰীক্ষাত অংশ ল’বলৈ পুৱাৰে পৰা একাংশ বিষয়া-কনিষ্টবলক শাৰী পাতি থকা দেখা যায়। উল্লেখ্য যে, ২০২৩ চনৰ ১৬ আগষ্টত অসমৰ ৩৬ স্থানত প্ৰথমবাৰ এই পৰীক্ষা অনুষ্ঠিত হৈছিল। পৰীক্ষাত ১,৮৮৪গৰাকীয়ে অনুত্তীৰ্ণ হৈছিল। এইবাৰৰ পৰীক্ষাত সফল হ’ব নোৱাৰাসকলক স্বেচ্ছামূলক অৱসৰ দিয়াৰ সম্ভাৱনা আছে বুলি জানিব পৰা গৈছে। মেদবহুলতাৰ বাবে এইসকল বিষয়া-কনিষ্টবলে অসম আৰক্ষীত সক্ৰিয়ভাৱে কাম কৰিব নোৱাৰাৰ অভিযোগ আছে। বিএমআই হৈছে উচ্চতা আৰু ওজনৰ ওপৰত আধাৰিত কৰি শৰীৰৰ চৰ্বিৰ এক জোখ। যাৰ দ্বাৰা এগৰাকী লোক ফিট হয় নে নহয় সেই কথা ওলাই পৰে।

# ৰাজিমা চহৰত অগ্নিকাণ্ড, শতাধিক দোকান ভস্মীভূত

# জাপানৰ বৰভূঁইকপত নিহত ৪৮ জন লোক, ১৫৫ জন নিৰুদ্দেশ

**টকিঅ', ২ জানুৱাৰীঃ** বিশ্বই নৱবৰ্ষ উদযাপন কৰি থকাৰ সময়তে ৰুষ্ট প্ৰকৃতিৰ ৰোষত পৰিছে জাপান। ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ কৱলত পৰিছে জাপান। বছৰৰ পহিলা জানুৱাৰীত বৰভূঁইকপত ধ্বংসলীলা আৰম্ভ হোৱাৰ লগতে চুনামিৰ কৱলত পৰিছে কেইবাটাও প্ৰান্ত। জাপানত কেইবা লাখ লোক গৃহহাৰা হোৱাৰ লগতে খাদ্য, বাসস্থানৰ অভাৱত পৰিছে। ১ জানুৱাৰীত মধ্য জাপানৰ কেন্দ্ৰীয় অংশক ৭.৫ প্ৰাবল্যৰ শক্তিশালী ভূমিকম্পই জোকাৰি যায়। ভূমিকম্পৰ ফলত টকিঅ'লৈকে অট্টালিকাত কম্পন অনুভূত হৈছিল। এই ভূমিকম্পত কমেও ৪৮ জন লোক নিহত হয় আৰু বহু লোক আহত হৈছে। এই পৰ্যন্ত কমেও ১৫৫ জন লোকে নিৰুদ্দেশ হৈ আছে। বিগত কেইবাটাও ঘণ্টাত জাপানত ১৫৫টা ভূমিকম্পৰ কম্পন অনুভত হৈছে। ইউনাইটেড জুলজিকেল জৰীপ অনুসৰি ইশিকাৱা প্ৰিফেকচাৰৰ নোটো উপদ্বীপত স্থানীয় সময় অনুসৰি আবেলি প্ৰায় ৪:১০ বজাত ভূমিকম্প সংঘটিত হৈছিল। ভূমিকম্প ১০ কিলোমিটাৰ গভীৰতাত অনুভৱ কৰা হৈছিল। ভূমিকম্পই জোকাৰি থকাৰ সময়তে জাপানত অট্টালিকাবোৰ খহি পৰিছিল। অগ্নিকাণ্ডও সংঘটিত হয়। সন্ধিয়া জাপানৰ মধ্য চহৰ ৱাজিমাত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। য'ত ১০০ খনতকৈও অধিক দোকান আৰু ঘৰ জ্বলি ছাই হৈ যায়। নিউক্লিয়াৰ ৰেগুলেশ্যন অথৰিটিৰ মতে, ইশিকাৱা প্ৰিফেকচাৰৰ শিকা পাৰমাণৱিক শক্তি কেন্দ্ৰতো এটা বিস্ফোৰণ সংঘটিত হয়। ভূমিকম্পৰ পাছতে চুনামিৰ প্ৰভাৱ পৰে। পূৱ ৰাছিয়ালৈ চুনামিৰ সতৰ্কবাণী জাৰি কৰাত জাপানৰ উপকূলীয় অঞ্চলত বাস কৰা লোকসকলক স্থানান্তৰ কৰা হৈছে। জাপানৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে সকলো বিভাগৰ বিষয়াসকলক স্থানীয় চৰকাৰৰ সৈতে সমন্বয় স্থাপন কৰিবলৈ আৰু মানৱ জীৱনক অগ্ৰাধিকাৰ দিয়াৰ নীতিৰ অধীনত কাম কৰিবলৈ নিৰ্দেশ দিছে। জাপান চৰকাৰে কয় জৰুৰীকালীন দুৰ্যোগৰ মোকাবিলা কৰিবলৈ কোনো ধৰণৰ বাধা মানি লোৱা নহ'ব। জীৱন ৰক্ষা কৰা আৰু দুৰ্যোগ পীড়িতসকলক উদ্ধাৰ কৰিবলৈ চৰকাৰে একেলগে কাম কৰি আছে। জাপানৰ ভাৰতীয় দূতাবাসে ভাৰতীয়সকলৰ সহায়ৰ বাবে জৰুৰীকালীন নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। ১ জানুৱাৰীৰ ভূমিকম্প আৰু চুনামিৰ সন্দৰ্ভত যিকোনো লোকে দূতাবাসৰ জৰুৰীকালীন নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ কৰিব পাৰিব। উল্লেখ্য যে, প্ৰায় ১৩ বছৰ পূৰ্বে এবাৰ জাপানত ভূমিকম্পই বিভীষিকা নমাই আনিছিল। সেই ভূমিকম্পৰ ফলত সৃষ্টি হোৱা চুনামীয়ে সকলো ঢাহি মুহি নিছিল। আৰু ইয়াৰ বাবেই ফুকচিমাৰ পাৰমাণৱিক প্লাণ্টত সংঘটিত হৈছিল দুৰ্ঘটনা। সেই ঘটনা আজিও জাপানৰ স্থানীয় জনতাৰ মাজত ভয়াবহ স্মৃতিৰ দৰে সজীৱ হৈ আছে। ২০১১ চনৰ এই চুনামীত প্ৰাণ হেৰুৱাইছিল ১৯৭০০ৰো অধিক লোকে। বিভীষিকাময় পৰিস্থিতিত আহত হৈছিল ৬,২৪২ জন, নিখোজ হৈছিল ২৫০০ লোক।

# ১০০০ খন ব্যক্তিগত মাদ্ৰাছা বন্ধ কৰাৰ কথা ঘোষণা হিমন্ত চৰকাৰৰ

## আৰম্ভ হ'ব অসমীয়া মুছলমানৰ বিশেষ লোকপিয়ল

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২ জানুৱাৰীঃ** ধৰ্ম, জাত, পাত তথা বৰ্ণবাদৰ ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন হোৱাত মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজহুৱা ক্ষমা খুজিবলৈ বাধ্য হৈছিল। সমানে ধৰ্ম বিশেষৰ বিৰুদ্ধে আক্ৰোশমূলক মনোভাৱ লৈ ৰাজনীতি কৰি অহাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই পুনৰ বিতৰ্কিত পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়িছে। মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই ১০০০ খন ব্যক্তিগত মাদ্ৰাছা বন্ধ কৰাৰ ঘোষণা কৰিছে। নৱবৰ্ষৰ পহিলা দিনটোতে ১০০০ খন ব্যক্তিগত মাদ্ৰাছা বন্ধ কৰাৰ পৰিকল্পনাৰ কথা উল্লেখ কৰি এই ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে যুক্তি দি কয় যে ব্যক্তিগত মাদ্ৰাছাসমূহ সাংবিধানিকভাৱে সুৰক্ষিত যদিও আৰক্ষী আৰু শিক্ষা বিভাগে সংখ্যা হ্ৰাস কৰাৰ বাবে কাম কৰি আছে। আনহাতে মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই অসমৰ খিলঞ্জীয়া ইছলামধৰ্মীৰ সপক্ষে বিশেষ মন্তব্য প্ৰকাশ কৰি কয় যে ২০২৪ চনৰ শেষৰ ফালে খিলঞ্জীয়া মুছলমানসকলৰ এক বিশেষ লোকপিয়ল অনুষ্ঠিত কৰা হ'ব। যাক অসমীয়া মুছলমান বুলিও কোৱা হয়। এই লোকপিয়লৰ উদ্দেশ্য হৈছে গ্ৰাম্য আৰু পৌৰ এলেকাক গুৰুত্ব দি অসমীয়া মুছলমানৰ জনগোষ্ঠী কেইটা চিনাক্ত কৰাৰ লগতে জনসংখ্যা পৰীক্ষা কৰা হ'ব। উল্লেখ্য যে এই লোকপিয়লক আদৰণি জনাইছে খিলঞ্জীয়া মুছলমানসকলে।

## ভুক্তভোগী পৰিয়ালক মুখ বন্ধ ৰাখিবলৈ ভাবুকি

# উত্তৰাখণ্ডত নাবালিকাক বলাৎকাৰ, বিজেপি নেতাক গ্ৰেপ্তাৰ

**ডেৰাডুন, ২ জানুৱাৰীঃ** উত্তৰাখণ্ডৰ চম্পাৱতত নাবালিকা কন্যাক বলাৎকাৰ কৰাৰ অভিযোগত বিজেপিক নেতাক গ্ৰেপ্তাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ শনিবাৰে চম্পাৱতৰ পৰা গ্ৰেপ্তাৰ কৰি সোমবাৰে আদালতত হাজিৰ কৰোৱা বিজেপি নেতাজন কমল ৰাৱত বুলি জানিব পৰা গৈছে৷ চম্পাৱত বিজেপিৰ মণ্ডল সভাপতি কমল ৰাৱাতৰ বিৰুদ্ধে শিশুৰ সুৰক্ষা আইন (পকচো) আৰু ভাৰতীয় দণ্ডবিধিৰ কেইবাটাও ধাৰাত গোচৰ ৰুজু কৰা হৈছে৷ বলাৎকাৰৰ অভিযোগ উত্থাপনৰ পাছতে ইতিমধ্যে বিজেপি দলে কমল ৰাৱতক বহিস্কাৰ কৰিছে৷ মুখ্য বিৰোধী কংগ্ৰেছে বিজেপি নেতাৰ বিৰুদ্ধে বলাৎকাৰৰ অভিযোগ উত্থাপন হোৱাৰ পাছতে সৰৱ হৈছিল৷ কংগ্ৰেছে বিজেপি চৰকাৰৰ প্ৰতীকী পুত্তলিকা দাহ কৰি প্ৰতিবাদো সাব্যস্ত কৰিছিল৷ আৰক্ষীয়ে কয় যে নাবালিকা কন্যাৰ মাতৃৰ অভিযোগৰ ভিত্তিত ৰাৱাতৰ বিৰুদ্ধে ধৰ্ষণৰ গোচৰ ৰুজু কৰা হৈছিল। অপহৰণ, মহিলাৰ শালীনতা হানিৰ উদ্দেশ্যে আক্ৰমণ, ধৰ্ষণ আৰু যৌন অপৰাধৰ শিশুৰ সুৰক্ষা (পকচো) আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। এজাহাৰকাৰীয়ে এজাহাৰত উল্লেখ কৰা মতে, ৰাৱাতে ১৬ বছৰীয়া জীয়ৰীক প্ৰথমে অপহৰণ কৰে৷ তাৰ পাছত ধৰ্ষণ কৰি সেই কথা প্ৰকাশ নকৰিবলৈ ভাবুকি দিয়ে। নাবালিকাই পৰিয়াল লোকক সকলো বিৱৰি কোৱাত পৰিয়ালে এজাহাৰ দাখিল কৰে৷ ৩০ ডিচেম্বৰত স্বাস্থ্য পৰীক্ষা কৰা হয়৷ বিজেপিৰ চম্পাৱত জিলাৰ সভাপতি নিৰ্মল মেহৰাই কয় যে ৰাৱতক দলৰ পৰা বহিষ্কাৰ কৰা হৈছে। কংগ্ৰেছে শাসকীয় দলটোক আক্ৰমণ কৰি কয় যে উত্তৰাখণ্ডত মহিলাৰ বিৰুদ্ধে ধৰ্ষণ আৰু অপৰাধৰ কেইবাটাও গোচৰ কেইবাজনো বিজেপি নেতাৰ বিৰুদ্ধে ৰুজু হৈছে। উত্তৰাখণ্ড কংগ্ৰেছৰ মুখপাত্ৰ গৰিমা মেহৰা দাচাউনীয়ে এখন সংবাদমেল সম্বোধন কৰি কয় যে ইয়াৰ পূৰ্বে ঋষিকেশৰ মহিলা ৰিচেপচনিষ্টনক বিজেপি নেতা বিনোদ আৰ্যৰ পুত্ৰ পুলকিত আৰ্যই হত্যা কৰিছিল৷ এইবাৰ চম্পাৱত বিজেপি মণ্ডল সভাপতিৰ বিৰুদ্ধে এগৰাকী নাবালকক ধৰ্ষণৰ গোচৰ ৰুজু কৰা হৈছে। গোচৰৰ তদন্ত আৰু গোচৰ পঞ্জীয়নক লৈ আৰক্ষীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন হৈছে৷ আৰক্ষীয়ে প্ৰথমতে গোচৰ পঞ্জীয়ন কৰিবলৈ অনিচ্ছুক হৈছিল যদিও ৮ ঘণ্টা পলমকৈ এজাহাৰ পঞ্জীয়ন কৰিছিল।



**উত্তৰ প্ৰদেশত চালকে অব্যাহত ৰখা প্ৰতিবাদস্থলীত বিৰোধী দলপতি অখিলেশ সিং যাদৱ**

# প্ৰতিটো দিন, প্ৰতিটো পুৱাই নতুন...

“অতিৰঞ্জিত বিষয়ক আমাৰ মাজত এনেদৰে উপস্থাপন কৰা হয়, যাৰ ফলত অদৰকাৰী প্ৰসঙ্গবিলাকো প্ৰাসঙ্গিক হৈ পৰা যেন লাগে আৰু মানুহৰ ভোগ-বিলাসৰ এক আহিলা হিচাপে সেয়া দৈনন্দিন জীৱনৰ অংগ হ’বলৈ ধৰে। এনেকুৱা অত্যাৱশ্যকীয়তা নিতান্তই এতিয়া আমাৰ সমাজ ব্যৱস্থাৰো অংগ হৈ পৰিছে। ”

**এম আবু হানিফা**

নতুন বছৰ মানেই প্ৰত্যাশাৰ এক মেটমৰা সম্ভাৰ। সম্ভাৱনাৰ শুভাৰম্ভ। নতুন বুলিলেই প্ৰাণোচ্ছল এক আৱেগে উন্মাদিত কৰি তোলে। নৱবৰ্ষৰ সময়তো মন-প্ৰাণ আৰু অধিক আহ্লাদিত হৈ উঠে। ডিচেম্বৰ আৰম্ভনিৰ পৰা জানুৱাৰীক আদৰাৰ প্ৰস্তুতি আৰম্ভ হৈ যায়। পুৰণি বিদায় দিয়াৰ যো-জা চলে। স্মৃতিৰ মানসপটত জিলিকি উঠে পোৱা-নোপোৱাৰ অলেখ আখ্যান। ইমানৰ পিছতো প্ৰকৃতিৰ নিয়ম অনুযায়ী অনিচ্ছা স্বত্তেও পুৰণিক দি নতুনক আদৰা হয়। এয়াই পৰম্পৰা, এয়াই শেষ নিয়ম। কিয়নো সময় কাৰো বাবে বৈ নাথাকে, গতিশীল সময়ে কালৈকো অপেক্ষাও নকৰে। এটা বছৰৰ সকলো স্মৃতিক সামৰি এটা সময়ত আমি নতুনৰ অচিনাকি দলিচাখনতেই খোজৰ বাট বুলিব লগা হয়।

বিশেষকৈ নতুন প্ৰজন্মৰ বাবে এই ধৰণৰ পৰম্পৰা, উৎসৱ যদিও নহয় এয়া কোনো মহোৎসৱতকৈ কমো নহয়। নতুন প্ৰাণত আশাৰ ন-বতৰা কঢ়িয়াই লৈ অহা নতুন বছৰত প্ৰতিজন লোকেই কিছু নহয় কিছু পৰিকল্পনা কৰে কিবা এটা পৃথক কৰাৰ। এয়াই গতিশীল সময়ৰ সৈতে নিজকে খাপ খুৱাই চলাৰো এক পৰম্পৰা। বৰ্তমান অত্যাধুনিকতাৰ এই সময়ত উৎসৱ-পাৰ্বনৰ প্ৰয়োভৱ অত্যাধিক হোৱা বুলি কলেও বঢ়াই কোৱা নহ’ব। ইয়াৰে কিছুমান পৰম্পৰা আৰু কিছুমান পুঁজিপতি সৃষ্ট কৃত্ৰিমতাহে। সাম্প্ৰতিক সময়ত পুঁজিপতি সৃষ্ট উৎসৱৰ প্ৰসাৰ বেছি, প্ৰচাৰ বেছি আৰু ক্ৰমাগতভাৱে সমাদৰো বেছি হ’বলৈ ধৰিছে। এয়া বণিক গোষ্ঠীৰ এটা সুপৰিকল্পিত আৰু কৌশলী ধাৰা চলাই থকা হৈছে। অতিৰঞ্জিত বিষয়ক আমাৰ মাজত এনেদৰে উপস্থাপন কৰা হয়, যাৰ ফলত অদৰকাৰী প্ৰসঙ্গবিলাকো প্ৰাসঙ্গিক হৈ পৰা যেন লাগে আৰু মানুহৰ ভোগ-বিলাসৰ এক আহিলা হিচাপে সেয়া দৈনন্দিন জীৱনৰ অংগ হ’বলৈ ধৰে। এনেকুৱা অত্যাৱশ্যকীয়তা নিতান্তই এতিয়া আমাৰ সমাজ ব্যৱস্থাৰো অংগ হৈ পৰিছে। নতুনত্বৰ নামত অতি আধুনিক হবলৈ যোৱাৰ পথতেই আমি বহু পৰম্পৰা, বহু সংস্কৃতিৱান বিষয়ো হেৰুৱাই পেলাওঁ। বিপৰীতে বিজৰতীয় সংস্কৃতিৰ আগ্ৰাসনে আমাক গ্ৰাস কৰে। নতুনত্বৰ নামত এনে অলাগতিয়াল কথাবিলাকে মানসিকভাৱে প্ৰভাৱিত কৰাৰ লগতে দীৰ্ঘকাললৈ এটা প্ৰজন্মক নেতিবাচক পথৰে দিশে লৈ যোৱাৰ বাট মুকলি কৰে।

সেয়ে যথাৰ্থতেই নতুন বছৰ হওক সকলো ফালৰ পৰা নতুন! আমাৰ চিন্তা-চেতনা, জীৱন শৈলীক সুন্দৰ কৰিব পৰাকৈ নতুন বছৰক আদৰিব লাগিব। পিকনিক, পাৰ্টি আদিৰ সমান্তৰালকৈ নতুন বছৰৰ পৰিকল্পনাত ভাল ঠাই ভ্ৰমণ কৰা, ভাল মানুহৰ সৈতে সাক্ষাত কৰা, ভাল কিতাপ পঢ়া, ভাল গান শুনা আদিৰো প্ৰাধান্য থাকিব লাগিব। নতুন বছৰত যদি পৰিকল্পনা কৰা হয় যে এই বছৰত বেছিতকৈ বেছি মানুহৰ সৈতে বিষয়বস্তু উপযুক্ত অনুযায়ী কথা পাতিম তেন্তে তেনে কথোপকথনেও গোটেই জীৱনৰ বাবে অনুপম অভিজ্ঞতাৰ সম্ভাৰ দিব পাৰে। পিকনিকে খন্তেকীয়া আমেজ দিয়ে কিন্তু এখন কিতাপে আমাক যি দিব সেয়া গোটেই জীৱনলৈ বিদ্যমান হৈ থাকি যাব। পৰিৱেশ-পৰিস্থিতিৰ অনুযায়ী বিভিন্ন ধৰণৰ কাম-কাজ মাজতো অত্যাধিক গুৰুত্ব দিব লাগিব সেইবোৰ কামক, যিবোৰে আমাৰ মন-প্ৰাণ পুলকিত কৰি জীৱনৰ বাবে সমৃদ্ধ কৰিব পাৰিব। নতুন বছৰৰ প্ৰথম দিনটোৱেই নহয়, ডেল কাৰ্নেগিৰ ভাষাত- "মোৰ বাবে প্ৰতিটো দিনেও নতুন, প্ৰতিটো পুৱাই নতুন।" এনে চেতনাই সকলৰো মনত প্ৰাণ পাই উঠক।

**সম্পাদকীয়**

মঙলবাৰ,
২ জানুৱাৰী, ২০২৪।।
নিশা ১০ বজা

## চালকৰ প্ৰতিবাদ

শেহতীয়াকৈ প্ৰণয়ন কৰা ভাৰতীয় ন্যায় সংহিতাত হিট এণ্ড ৰান গোচৰৰ বাবে কঠোৰ ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰতিবাদত ভাৰতত ট্ৰাক, বাছ, টেংকাৰ চালকসকলে সাব্যস্ত কৰা তিনিদিনীয়া ধৰ্মঘট কাৰ্যসূচীয়ে মঙলবাৰে দ্বিতীয় দিন অতিক্ৰম কৰে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰে পৰিৱৰ্তন সংঘটিত কৰা নতুন আইনখনৰ অধীনত গাফিলতিৰে গাড়ী চলোৱাৰ জৰিয়তে গুৰুতৰ দুৰ্ঘটনা সংঘটিত কৰা, আৰু কৰ্তৃপক্ষক খবৰ নিদিয়াকৈ পলায়ন কৰা চালকসকলক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড বা ৭ লাখ টকা (৮৪০০ ডলাৰ) জৰিমনা বিহা হ’ব পাৰে। যোগান শৃংখলত ব্যাঘাত জন্মা আৰু অংশীদাৰসকলৰ সৈতে পৰামৰ্শৰ অভাৱৰ উদ্বেগ প্ৰকাশ কৰি পৰিবহণকাৰীসকলে এই আইনখনৰ তীব্ৰ বিৰোধিতা কৰিছে। দুৰ্ঘটনাত জড়িত ট্ৰাক চালকৰ বিৰুদ্ধে এই আইনখন অন্যায়ভাৱে ব্যৱহাৰ হ’ব পাৰে বুলি তেওঁলোকে যুক্তি আগবঢ়ায়, আৰু ইয়াৰ প্ৰত্যাহাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক আবেদন জনাইছে। এই ধৰ্মঘটৰ ফলত সমগ্ৰ দেশতে বিক্ষোভৰ সৃষ্টি হৈছে। ইফালে এই বিক্ষোভৰ ফলত যাতে সাধাৰণ জনতা প্ৰভাৱিত নহয়, তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰসমূহে। আনহাতে গুজৰাট, মহাৰাষ্ট্ৰ, ছত্তীশগড়, পশ্চিমবংগ আদিৰ দৰে ৰাজ্যত প্ৰতিবাদৰ ফলত ঘাইপথ অৱৰোধ, টায়াৰ জ্বলোৱা, ধৰ্মঘটৰ বাবে স্বাভাৱিক জীৱন ব্যহত হৈ পৰা পৰিলক্ষিত হৈছে। কৃষকৰ পিছত চালকসকলে এতিয়া আইনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলগীয়া হৈছে। এয়া সঁচাকৈয়ে দেশখনৰ বাবে পৰিতাপৰ কথা। লোকসভা নিৰ্বাচনৰ পূৰ্বে আৰম্ভ হোৱা এই প্ৰতিবাদে অনাগত দিনত কোন দিশে গতি কৰে সেয়া লক্ষণীয় হ’ব।

সাম্প্ৰতিক

# বৰাক উপত্যকাতো ভিন্ন স্থানত চালকসকলৰ প্ৰতিবাদী কাৰ্যসূচী

## শীঘ্ৰে ক'লা আইন প্ৰত্যাহাৰৰ দাবী

**ই-সংবাদ, শিলচৰ, ২ জানুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন লগতে বৰাক উপত্যকাৰ চালকসকলে কেন্দ্ৰীয় চৰকাৰৰ ফৌজদাৰী সংহিতা আইনৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিছে। আজি বৰাক উপত্যকাৰ বদৰপুৰত গাড়ী চালকসকলে প্ৰতিবাদ সাব্যস্ত কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। হাজাৰ হাজাৰ বাণিজ্যিক বাহনৰ চালকে বদৰপুৰত পথৰ দাঁতিত গাড়ী থিয় কৰি প্ৰতিবাদ কৰিবলৈ ওলাই আহে। পুৱা ১১:৩০ বজাত বদৰপুৰৰ ভঙাত শ-শ গাড়ী চালক, মালিকৰ লগতে সাধাৰণ লোকে পথৰ দাঁতিত থিয় হৈ এই আইন বাতিল কৰাৰ দাবী জনায়। বৰাক উপত্যকাৰ প্ৰতিবাদী চালকসকলে কয় যে চালকে দেশত প্ৰাকৃতিক দুৰ্যোগ, ক'ৰোনা মহামাৰী, বানপানী, ধুমুহাৰ সময়ত ২৪ ঘণ্টা গাড়ী চলাই সেৱা কৰি আহিছে। গতিকে চৰকাৰে চালকক সন্মান কৰা উচিত। চালকৰ ওপৰত কঠোৰ আইন জাপি দিব নালাগে। এই আইন বাতিল নকৰিলে জংগী আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰে বৰাকৰ চালকসকলে। ভাৰতীয় দণ্ডবিধি বাতিল কৰা ফৌজদাৰী সংহিতা আইনত দুৰ্ঘটনাস্থলীৰ পৰা পলায়ন কৰা আৰু আৰক্ষীক ঘটনাৰ খবৰ নিদিলে ১০ বছৰলৈকে শাস্তি, ১০ লাখ টকাৰ জৰিমণা বিহাৰ ব্যৱস্থা প্ৰদান কৰা হৈছে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰে ৰাজপথত উদণ্ড চালকক নাকী লগাবলৈ এই আইন প্ৰৱৰ্তন কৰিলেও শেহতীয়াকৈ এই আইনখনে খাটি খোৱা একাংশ চালকক শংকিত কৰি তুলিছে।

বিশেষ খবৰ

# ৰাহুল গান্ধী অহাৰ আগতে অসমলৈ আহিব জে.পি নাড্ডা

**নতুন দিল্লী, ২ জানুৱাৰীঃ** অহা ১৪ জানুৱাৰীত ৰাহুল গান্ধীয়ে মণিপুৰৰ পৰা আৰম্ভ কৰিব ন্যায় যাত্ৰা। এই যাত্ৰা প্ৰৱেশ কৰিব অসমত। ৰাহুল গান্ধীৰ যাত্ৰাৰ পূৰ্বে অসম ভ্ৰমণ কৰিব বিজেপিৰ সভাপতি জে.পি নাড্ডাই। ১০ জানুৱাৰীত জে.পি নাড্ডাই অসম ভ্ৰমণলৈ আহিব বুলি আজি সংবাদমাধ্যমত জানিবলৈ দিয়ে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই। ৰাজ্যিক বিজেপি সভাপতি ভবেশ কলিতাই গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক কাৰ্যনিৰ্বাহকত অংশগ্ৰহণ কৰিবলৈ নাড্ডাই অসম ভ্ৰমণ কৰিব বুলি উল্লেখ কৰে। ভবেশ কলিতাই উল্লেখ কৰা মতে, ২৪ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৮ জানুৱাৰীত বিজেপিৰ মৰ্চাসমূহৰ বৈঠক অনুষ্ঠিত হ'ব ভবেশ কলিতাৰ সমষ্টি ৰঙিয়াত। ৯ জানুৱাৰীত অনুষ্ঠিত হ'ব অসম বিজেপিৰ নিৰ্বাচনী পৰিকল্পনা সমিতিৰ বৈঠক। ১০ জানুৱাৰীত অনুষ্ঠিত হ'ব অসম বিজেপিৰ পূৰ্ণাংগ ৰাজ্যিক কাৰ্যনিৰ্বাহক। ১০ জানুৱাৰীৰ এই পূৰ্ণাংগ ৰাজ্যিক কাৰ্যনিৰ্বাহকত অংশ ল'ব নাড্ডাই। ১০ জানুৱাৰীত গুৱাহাটীৰ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক গুৰুত্বপূৰ্ণ বুলি জানিব পৰা গৈছে। এই ভ্ৰমণ কালত বিজেপিৰ একাংশ অসন্তুষ্ট নেতাকো সাক্ষাৎ কৰিব পাৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই।

মহানগৰ সংবাদ

# মহানগৰীৰ ভিন্ন স্থানত সক্ৰিয় চোৰৰ গেং, ব্যৰ্থ আৰক্ষী

**মহানগৰীৰ প্ৰতিবেদক, ২ জানুৱাৰীঃ** মহানগৰীৰ স্মাৰ্ট আৰক্ষী বিগত কেইটামান দিন ধৰি নৱবৰ্ষত সুৰাপায়ী চালকৰ পিছত ব্যস্ত থকাৰ সময়তে চোৰে চলাই গৈছে অভিযান। চোৰে এটাৰ পিছত এটাকৈ চুৰি কাৰ্য সংঘটিত কৰি সাধাৰণ নাগৰিকৰ মাজত আতংকৰ সৃষ্টি কৰাৰ পিছতো এনে গভাইত চোৰ গ্ৰেপ্তাৰত ব্যৰ্থ আৰক্ষী। বিগত এটা সপ্তাহ ধৰি পুৰণি বছৰক বিদায় আৰু নৱবৰ্ষক আদৰাৰ নামত মহানগৰীৰ নাগৰিক ব্যস্ত থকাৰ সময়তে সুযোগৰ সদ্ ব্যৱহাৰ কৰি নিৰন্তৰ লুটপাত চলাইছে চোৰে। বিশেষকৈ ৰৱবাৰী, দ্বাৰকা নগৰ, ছচল, নৱজ্যোতি ক্লাব আদি এলেকাত চোৰে চাফাই অভিযান চলাই সাধাৰণ নাগৰিকৰ নৱবৰ্ষৰ আনন্দত চেঁচা পানী ঢালিছে। ইফালে চোৰে যিমানে সক্ৰিয় হৈ অভিযান চলাইছে, সিমানে নাগৰিকৰ সম্পত্তিৰ সুৰক্ষাৰ ক্ষেত্ৰত নিষ্ক্ৰিয় হৈ পৰিছে মহানগৰ আৰক্ষী। সম্প্ৰতি চোৰৰ পৰা পৰিত্ৰাণ পাবলৈ সাধাৰণ নাগৰিকে মহানগৰীৰ মূল পথৰ পৰিবৰ্তে ভিতৰৰ পথসমূহত পেট্ৰ'লিঙৰ ব্যৱস্থা কৰিবলৈ আৰক্ষীক দাবী জনাইছে। উল্লেখ্যে বিগত সময়ছোৱাত মহানগৰীৰ ভিন্ন প্ৰান্তত চিলনী চোৰে উপদ্ৰৱ চলাই অহাৰ লগতে ষ্ট্ৰীট লাইট নথকা ঠেক গলিসমূহৰ ঘৰ আৰু দোকান-পোহাৰসমূহক লক্ষ্য কৰি লৈছে চোৰৰ দলে।

শেষ পৃষ্ঠা

# বৰাক উপত্যকাত কৰ্মৰত চিআৰপিএফ জোৱান নিৰুদ্দেশ

**ই-সংবাদ, ২ জানুৱাৰীঃ** বৰাক উপত্যকাত কৰ্মৰত এজন চিআৰপিএফ জোৱান নিৰুদ্দেশ হৈ থকাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কাছাৰ জিলাৰ দয়াপুৰ শিবিৰৰ জোৱান নিৰুদ্দেশ হৈ থকা বুলি জানিব পৰা গৈছে। নিৰুদ্দেশ জোৱানজন মধ্যপ্ৰদেশৰ ৰাম সিং শ্যাম। যোৱা ৩১ ডিচেম্বৰৰ বিয়লি প্ৰায় ৪:৩০ বজাত ব্যক্তিগত কাম থকা বুলি কৈ ওলাই অহাৰ পাছৰে পৰা ৰাম সিং শ্যাম নিৰুদ্দেশ হৈ আছে। ওলাই যোৱাৰ পাছৰে পৰা ৰাম সিং শ্যামে কোনো যোগাযোগ কৰা নাই বুলি পৰিয়ালে দাবী কৰিছে। কেইবা ঘণ্টা ধৰি ঘৰলৈ উভতি নহাত শ্যামৰ পত্নীয়ে শিবিৰৰ বিষয়াসকলক অৱগত কৰে। কোনো শুংসূত্ৰ উদ্ধাৰ কৰিব নোৱাৰাত স্থানীয় আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে বিভিন্ন এলেকাৰ চিচিটিভিৰ ফুটেজ পৰীক্ষা কৰি থকা বুলি জানিব পৰা গৈছে।



■ ইডিৰ চমন আৰু বিধায়কৰ পদত্যাগৰ পাছতে পিতৃৰ চৰণ স্পৰ্শ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ




■ জাপান বিমানবন্দৰত বিমানত জুই লাগি থকা সময়ৰ ভয়ংকৰ ছবি, নিৰাপদে উদ্ধাৰ কৰা হয় যাত্ৰীসকলক

# ফটোশ্বুটত পিতৃ-মাতৃয়ে বাধা দিয়া বাবেই সুন্দৰী যুৱতীৰ চৰম সিদ্ধান্ত

**অনলাইন ফিচাৰ্ছ, ২ জানুৱাৰীঃ** এগৰাকী যুৱতীৰ ফটো শ্বুটৰ বাটত হেঙাৰ হৈ থিয় হ'ল পিতৃ-মাতৃ। নতুন বছৰৰ পহিলা দিনটোত এটা শ্বপিং মলত ফটোশ্বুটৰ ইচ্ছা আছিল যুৱতীগৰাকীৰ। কিন্তু পিতৃ-মাতৃয়ে বাধা দিয়াৰ বাবেই অৱশেষত চৰম সিদ্ধান্ত বাচি ল'লে ২১ বছৰীয়া যুৱতীগৰাকীয়ে। এনে এক ঘটনা সংঘটিত হৈছে বাংগালুৰুৰ সুধামনগৰ অঞ্চলত। বাংগালুৰুৰ এখন মহাবিদ্যালয়ৰ স্নাতকৰ ছাত্ৰী মৃত যুৱতীগৰাকীৰ নাম বৰ্ষিনী বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সদৰী কৰা মতে, নতুন বছৰত বৰ্ষিনীয়ে স্থানীয় এটা শ্বপিং মলত ফটো শ্বুট কৰিব বিচাৰিছিল। কিন্তু পিতৃ-মাতৃয়ে বাধা দিয়াত তেওঁলোকৰ সৈতে কিছু সময় তৰ্ক কৰি নিজৰ কোঠালৈ যায় বৰ্ষিনী। কিন্তু নৱবৰ্ষৰ প্ৰাকসন্ধ্যা বহু সময় ধৰি যুৱতীগৰাকী নিজৰ কোঠাৰ পৰা ওলাই নহাত নঘটিবলগীয়া ঘটনাৰ আশংকা কৰি পৰিয়ালৰ লোকে কোঠাৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰাত বৰ্ষিনীৰ নিথৰ দেহ প্ৰত্যক্ষ কৰে। অৱশ্যে কোঠাৰ পৰা কোনো ধৰণৰ ছুইচাইড নোট উদ্ধাৰ কৰা নাই পৰিয়াল অথবা আৰক্ষীয়ে। ফটো শ্বুট কৰিবলৈ পিতৃ-মাতৃয়ে বাধা দিয়াৰ বাবেই যুৱতীগৰাকীয়ে আত্মহনন কৰাৰ সন্দেহ কৰা হৈছে। আৰক্ষীয়ে ইতিমধ্যে বৰ্ষিনীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। এক অস্বাভাৱিক মৃত্যুৰ গোচৰ ৰুজু কৰি তদন্তও আৰম্ভ কৰিছে আৰক্ষীয়ে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান